# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 01-08-2025

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ আমিনগাঁৱত জিলা ন্যায়াধীশ আদালতৰ নৱনিৰ্মিত ভৱনটো উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে তৎকালীন ন্যায় প্ৰদানৰ ক্ষেত্ৰত এই আদালত চৌহদত ক্ষিপ্ৰতাৰে কাম কৰাৰ লগতে ৰাজ্যত বিচাৰাধীন হৈ থকা ৫ লাখ গোচৰ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে ক্ষিপ্ৰতাৰে গোচৰ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত তথ্যপ্ৰযুক্তিৰ লগতে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লোৱাৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰেও ভাষণ আগবঢ়ায়। প্ৰায় ৫২ কোটি ২৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা জিলা ন্যায়িক আদালত চৌহদত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত, মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ লগতে যান-বাহন দুৰ্ঘটনা বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰ আৰু আইন সেৱা প্ৰাধিকৰণকে আদি কৰি মুঠ ১৪খন ন্যায়িক আদালত থাকিব। উদ্বোধনী অনুষ্ঠানত আইন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ লগতে কামৰূপ জিলাৰ ন্যায়িক দণ্ডাধীশসকলো উপস্থিত থাকে।

০০০০

কামৰূপ মহানগৰ জিলাৰ প্ৰথম শ্ৰেণীৰ বিশেষ ন্যায়িক দণ্ডাধীশ প্ৰিয়াংশু বৰদলৈৰ আদালতে বাহনৰ খুন্দাত এজন যুৱকৰ মৃত্যু হোৱাৰ অভিযোগত অভিযুক্ত নন্দিনী কাশ্যপক আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। পূৰ্বৰ দুদিনৰ আৰক্ষী জিম্মাৰ ম্যাদ আজি অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত অভিযুক্তগৰাকীক আৰক্ষীয়ে আদালতত হাজিৰ কৰোৱাই পুনৰ পাঁচ দিনৰ জিম্মা বিচাৰি আবেদন দাখিল কৰিছিল।

০০০০

ড° ভূপেন হাজৰিকাৰ বছৰযোৱা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আনুষ্ঠানিকভাৱে এটা পোৰ্টেল মুকলি কৰে। পোৰ্টেল মুকলিৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই সাংবাদিকক সম্বোধন কৰি ৮ ছেপ্তেম্বৰত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত বিয়লি চাৰে পাঁচ বজাত হ'বলগীয়া ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি প্ৰকাশ কৰে। এই অনুষ্ঠানতে কেইবাটাও ভাষাত লিখি উলিওৱা ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থ প্ৰধানমন্ত্ৰীগৰাকীয়ে উন্মোচন কৰাৰ লগতে ভূপেন হাজৰিকাৰ স্মৃতিত এটা মুদ্ৰাও মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই জনায়। উদ্বোধনী অনুষ্ঠানত এহেজাৰ শিল্পীয়ে ড° ভূপেন হাজৰিকাৰ কেইবাটাও গীতৰ এটাকৈ অন্তৰা অসমীয়া, বঙালী আৰু হিন্দী ভাষাত পৰিৱেশন কৰিব। ইয়াৰ বাবে প্ৰতিখন মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীসকলক আমন্ত্ৰণ জনোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণতে দৰং জিলাত তিনিটা প্ৰকল্প মুকলি কৰাৰ লগতে গুৱাহাটীৰ ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। এই সংবাদমেলতে মুখ্যমন্ত্ৰী

শৰ্মাই ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহে অসম ভ্ৰমণ কৰি নতুন ৰাজভৱন মুকলি কৰিব বুলি প্ৰকাশ কৰে। একেখন সংবাদমেলতে অৰুণোদয় আঁচনি সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে ১৭ ছেপ্তেম্বৰত অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণ মুকলি কৰা হ'ব। অৰুণোদয় হিতাধিকাৰীয়ে ৰন্ধন গেছতো ২২৫ টকাকৈ ৰেহাই পাব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলতে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত আৰু কয়, যে ৬ আগষ্টত নিযুঁত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব।

০০০০

৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ আজি ঘোষণা কৰা হৈছে। ৰঙাটাপু ১৯৮২ নামৰ অসমীয়া ছবিখনলৈ আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবিৰ ৰজতকমল বঁটা আগবঢ়োৱা হৈছে। চলচ্চিত্ৰ সমালোচক উৎপল দত্তলৈ শ্ৰেষ্ঠ সমালোচকৰ বঁটা আগবঢ়োৱা হৈছে। প্ৰবাল খাউণ্ডৰ দ্বাৰা পৰিচালিত পাইটাং নামৰ ছবিখনলৈ টাই ভাষাৰ শ্ৰেষ্ঠ ছবিৰ সন্মান আগবঢ়োৱা হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ ২ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটত **দৃষ্টিপাত** অনুষ্ঠানত ৰাজ্যখনৰ ৩ গৰাকী উদীয়মান চলচ্চিত্ৰ পৰিচালকৰ সৈতে এটা অন্তৰংগ আলাপ প্ৰচাৰ কৰিব। স্বাধীনচিতীয়া পৰিচালক হিচাপে পৰিচিত- অমৰদ্বীপ গগৈ, হিমজ্যোতি তালুকদাৰ আৰু ঝুলনকৃষ্ণ মহন্তৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলৰ লগতে বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফে'চবুক পেজ যোগেও পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০

নগাঁও জিলাৰ ৰহাত দুটা পৃথকে হোৱা পথ দুৰ্ঘটনাত দুজন যুৱক নিহত হয়। আজি বিয়লি ৰহাত মণিপুৰ আৰক্ষীৰ এখন বাহনৰ খুন্দাত এজন যুৱক নিহত হোৱাৰ দুঘণ্টা পাছতেই আকৌ ৰহাৰ কমাৰজানত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত আন এটা পথ দুৰ্ঘটনা সংঘটিত হয়। এখন ট্ৰাক পথৰ দাঁতিত ৰখাবলৈ লোৱাৰ সময়তেই গুৱাহাটীৰ পৰা নগাঁও অভিমুখী আন এখন বাহনে ট্ৰাকখনত খুন্দা মাৰে। তাৰ পাছতেই অন্য এখন বাহনে ট্ৰাকখনত খুন্দা মৰাত বাহনখনৰ চালকজনৰ থিতাতে মৃত্যু হয়।

০০০০

অভেলত চলি থকা পঞ্চম তথা অন্তিম টেষ্টত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতে আজি খেলখনত দ্বিতীয় দিনা ভাৰতে কালি ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২০৪ ৰানৰ পৰা খেলি আটাইকেইটা উইকেটৰ হেৰুৱাই ২২৪ ৰাণ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে সন্তোষজনকভাৱে নিজৰ ইনিংছ আৰম্ভ কৰে যদিও ভাৰতীয় পেচ বলাৰৰ সন্মুখত ধাৰাবাহিকভাৱে উইকেটৰ পতন ঘটে। ঘৰুৱা দলটোৱে ৮ উইকেটৰ বিনিময়ত ২৪২ ৰান সংগ্ৰহ কৰি খেলি থকাৰ সময়তে বৰষুণৰ বাবে খেল সাময়িকভাৱে স্থগিত ৰখা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ